**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-04-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে মায়ুঙৰ সৈতে আলোচনাত মিলিত হয়।

২। অহা ২৩ এপ্ৰিলত হ'বলগীয়া পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান ছলাইছে।

৩। মহিলাৰ আসন সংৰক্ষণ বিধেয়কখনৰ বিৰোধিতা কৰাৰ বাবে বিজেপিয়ে আজি মধ্য প্ৰদেশত মহিলা আক্ৰোশ সমদলৰ আয়োজন কৰিছে।

৪। তামিলনাডুৰ বিৰুধনগৰ জিলাত কালি আতচবাজীৰ কাৰখানাত সংঘটিত দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে মায়ুং আজি নতুন দিল্লীত বৈঠকত মিলিত হৈছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত ব্যাপক আলোচনা কৰাৰ আশা কৰা হৈছে। এই বৈঠকৰ পাছত দুয়োগৰাকী নেতাই কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে আজি পুৱাৰ ভাগত দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ এই আদৰণি অনুষ্ঠানত উপস্থিত থাকে। ৰাষ্ট্ৰপতি লী আৰু তেওঁৰ পত্নী কিম হি কিয়ুঙে আজি ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ৰাষ্ট্ৰপতি লী জে মায়ুং আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সৈতে আলোচনাত মিলিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে এটা নৈশ ভোজন আয়োজন কৰিছে। ৰাষ্ট্ৰপতি লী জে মায়ুং তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। পত্নী আৰু উচ্চ পৰ্যায়ৰ প্ৰতিনিধি, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়ী নেতাৰ সৈতে ভাৰতলৈ অহা ৰাষ্ট্ৰপতিগৰাকীক কেন্দ্ৰীয় মন্ত্ৰী হৰ্ষ মালহোত্ৰাই বিমানবন্দৰত আদৰণি জনায়। এয়া হৈছে তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকালৈ যোৱা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি দেশখনৰ সৈতে ভাৰতৰ উন্নয়ন অংশীদাৰিত্ব তথা সম্প্ৰদায়সমূহৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে নুৱাৰা এলিয়া ভ্ৰমণ কৰিছে। আজি পুৱা উপ-ৰাষ্ট্ৰপতিগৰাকীক স্থানীয় লোকসকলে পৰম্পৰাগতভাৱে বিপুল আদৰণি জনায়। এই ভ্ৰমণকালত তেওঁ ভাৰতৰ উদ্যোগত গৃহ নিৰ্মাণ প্ৰকল্প চলি থকা অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে ভাৰতীয় মূলৰ তামিল সম্প্ৰদায়ৰ লোকসকলৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰে। মত বিনিময় কালত তেওঁ এই লোকসকলৰ অভিজ্ঞতা আৰু সমস্যাসমূহৰ বুজ লয়। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে এই

সম্প্ৰদায়ৰ কল্যাণ আৰু দীৰ্ঘদিনীয়া সামাজিক, অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত নতুন দিল্লীৰ দায়বদ্ধতাকে চিহ্নিত কৰিব। শ্ৰীৰাধাকৃষ্ণনে তেওঁৰ ভ্ৰমণৰ প্ৰথম দিনা কালি কলম্বোত দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়েকে আৰু প্ৰধানমন্ত্ৰী হাৰিনি অমৰাসূৰ্যাৰ সৈতে কেইবাখনো বৈঠকত অংশ লয়। তেওঁ লগতে ভাৰতীয় মূলৰ লোকসকলৰ সৈতেও কথা পাতে। এই মত বিনিময় কালত তেওঁ প্ৰবাসী ভাৰতীয়সকলৰ বাবে থকা আঁচনি সম্প্ৰসাৰণৰ জৰিয়তে শৈক্ষিক জলপানি প্ৰদান আৰু ধবজাবাহী ভাৰতীয় গৃহনিৰ্মাণ প্ৰকল্পৰ তৃতীয় পৰ্যায় সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে এই ভ্ৰমণকালত তাত থকা ভাৰতীয় মূলৰ তামিলসকলৰ কল্যাণৰ বাবে ভাৰতৰ দায়বদ্ধতা তথা ভাৰত আৰু শ্ৰীলংকাৰ জনসাধাৰণৰ মাজত সম্প্ৰীতিৰ বান্ধোন শক্তিশালী কৰাৰ বিষয়টোৱে স্থান লাভ কৰিছে। এই ভ্ৰমণ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণৰ বাবে ৰিয়াধত উপস্থিত হয়। এই বৈঠকত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাগৰাকীয়ে নিৰাপত্তা সহযোগিতা শক্তিশালী কৰা, ইন্ধনৰ স্থিৰতা নিশ্চিত কৰা আৰু আঞ্চলিক উন্নয়ন সন্দৰ্ভত আলোচনা কৰাৰ লগতে পশ্চিম এছিয়াৰ সংঘৰ্ষ জৰ্জৰিত পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। শ্ৰীদোভালক কালি খালিদ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত চৌদি আৰৱত থকা ভাৰতীয় ৰাষ্ট্ৰদূত ছুহেল আজাদ খান আৰু চৌদি আৰৱৰ ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ উপ-মন্ত্ৰী ছাউড অল ছটিয়ে আদৰণি জনায়।

০০০০০

পশ্চিমবংগত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৱেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি পূব মেদিনীপুৰত জনসভা আৰু ৰোড শ্ব'ত অংশ ল'ব। দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই মুৰ্শ্বিদাবাদ আৰু বাংকুৰাত একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি বীৰভূম জিলাত কেইবাখনো জনসভা আৰু ৰোড শ্ব'ত অংশ ল'ব। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি কোচবিহাৰ আৰু শিলিগুড়িত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। তৃণমূল কংগ্ৰেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি উত্তৰ চৌবিবশ পৰগনা জিলাৰ খাড়দাহাত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগৰ ঝাৰগ্ৰাম, পুৰুলীয়া আৰু বিষ্ণুপুৰ জিলাত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই জলপাইগুৰিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। দলীয় নেতা তথা ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহাই মুৰ্ছিদাবাদৰ জিয়াগঞ্জ আৰু কাণ্ডিত আয়োজিত ৰোড শ্ব'ত ভাগ লৈ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

তৃণমূল কংগ্ৰেছৰ সভাপতি তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পূব বৰ্ধমান জিলাৰ কাল্‌না আৰু হুগলী জিলাৰ তাৰকেশ্বৰত কালি প্ৰচাৰ চলায়।

কংগ্ৰেছ তথা বাওপন্থী দলসমূহৰ লগতে অন্যান্য দলসমূহেও পশ্চিমবংগৰ বিভিন্ন প্ৰান্তত সক্ৰিয়ভাৱে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ৮৪ লাখ ৯৯ হাজাৰ ৪৯৬ গৰাকী পুৰুষ ভোটদাতা, ১ কোটি ৭৫ লাখ ৭৭ হাজাৰ ২১০ গৰাকী মহিলা ভোটদাতা আৰু ৪৬৫ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যখনত বিধানসভা

নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে ভোটাৰ সহযোগিতা তথা যাৱতীয় নিৰাপত্তাজনিত দিশসমূহ তন্নতন্নকৈ নিৰীক্ষণ কৰা হৈছে।

০০০০০

মহিলাৰ আসন সংৰক্ষণ বিধেয়কখনৰ বিৰোধিতা কৰাৰ ফল বিৰোধী দলসমূহে ভোগ কৰিব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে মন্তব্য কৰিছে। সাংবাদিকৰ আগত শ্ৰী ৰিজিজুৱে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহক সংবিধানৰ ১৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬-ৰ প্ৰতি সমৰ্থন আগনবঢ়োৱাৰ বাবে চোকা ভাষাৰে সমালোচনা কৰে। তেওঁ কয়, যে এই বিষয়টো লৈ দেশৰ মহিলাসকল ক্ৰোধান্বিত হৈ থকাৰ বাবে বিৰোধী দলসমূহে শংকাৰ বশৱৰ্তী হৈ নিজৰ সমৰ্থনত বিভিন্ন যুক্তি আগবঢ়াবলৈ আৰম্ভ কৰিছে।

ইপিনে, ভাৰতীয় জনতা পাৰ্টীয়ে আজি মধ্য প্ৰদেশৰ ৰাজধানী ভূপালৰ এম ভি এম কলেজ গ্ৰাউণ্ডত মহিলা আক্ৰোশ সমদলৰ আয়োজন কৰিছে। এই সমদলত ৩০ হাজাৰৰো অধিক মহিলাই অংশ লৈছে। মুখ্যমন্ত্ৰী ড° মোহন যাদৱ, দলৰ ৰাজ্যিক সভাপতি হেমন্ত খাণ্ডেলৱাল আৰু ৰাজ্যখনৰ কেইবাগৰাকীও মহিলা মন্ত্ৰীয়ে এই সমদলত অংশ লৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ লক্ষ্যৰে যোৱা ১৭ এপ্ৰিলত সংসদত সাংবিধানিক সংশোধনী বিধেয়কখন উত্থাপন কৰিছিল। এই বিধেয়কখন গৃহীত হোৱাৰ বাবে দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা অৰ্থাৎ কমেও ৩৫২ টা ভোটৰ প্ৰয়োজন হৈছিল। এই ভোটদান প্ৰক্ৰিয়াত ২৯৮ গৰাকী সদস্যই দেশখনৰ সপক্ষে আৰু ২৩০ গৰাকীয়ে বিপক্ষে ভোটদান কৰাৰ ফলত বিধেয়কখন গৃহীত নহ'ল। কংগ্ৰেছ, টি এম চি, ডি এমকে আৰু সমাজবাদী পাৰ্টীয়ে বিধেয়কখনৰ সমৰ্থনত ভোটদান নকৰিলে। বিজেপিয়ে মহিলাসকলৰ অধিকাৰ লাভৰ প্ৰক্ৰিয়াত বিৰোধীয়ে বাধা জন্মোৱা বুলি অভিযোগ তুলি আজি এই প্ৰতিবাদী সমদলৰ আয়োজন কৰিছে।

০০০০০

তামিলনাডুৰ বিৰুধনগৰ জিলাত কালি আতচবাজীৰ কাৰখানাত সংঘটিত দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫লৈ বৃদ্ধি পাইছে। শ্ৰমিকসকলে কাৰখানাটোত বিস্ফোৰক সামগ্ৰীসমূহ কঢ়িয়াই নি থকা অৱস্থাত বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। যোৱা নিশা পৰিত্যক্ত কাৰখানা পৰিস্কাৰ কৰি থকা সময়তে দ্বিতীয়টো বিস্ফোৰণৰ ঘটনা ঘটে আৰু ১২জন লোক আঘাতপ্ৰাপ্ত হয়। মৃত্যু হোৱা ২৫জন লোকৰ ভিতৰত ২২গৰাকী মহিলা, তিনিগৰাকী পুৰুষ আছিল। ইয়াৰে ১৮গৰাকী সৰ্বাইকাৱানপট্টিৰ বাসিন্দা। ৰাজ্যখনৰ কেইবাগৰাকীও মন্ত্ৰীয়ে ঘটনাস্থলী আৰু হাস্পতাল পৰিদৰ্শন কৰে। ৰাজ্যখনৰ বিৰোধী দলসমূহৰ লগতে এই দুৰ্ঘটনাত আহত লোকসকলৰ পৰিয়ালে ক্ষতিপূৰণৰ দাবী কৰিছে।

ইফালে, এই ঘটনাৰ তদন্তৰ বাবে চৰকাৰে আই এ এছ বিষয়া গোবিন্দ ৰাওৰ অধ্যক্ষতাত এখন আয়োগ গঠন কৰি দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱানিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পঞ্জাৱ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫৪ ৰানত পৰাস্ত কৰে।

০০০০০

সমাপ্ত